# 2023

## PHILOSOPHY

### ( Regular Elective )

Paper : PHI–RE–6016/6026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

Paper : PHI–RE–6016

**( Philosophy of Religion )**

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ কৰা :

*(a)* According to whom, "Religion is the belief in spiritual beings"?

কাৰ মতে, "ধৰ্ম হ'ল আধ্যাত্মিক সত্তাত বিশ্বাস" ?

*(b)* Philosophy of Religion is a branch of philosophy/theology/religious experience. (Choose the correct option)

ধৰ্মদৰ্শন হৈছে দৰ্শন / ঈশ্বৰতত্ত্ব / ধৰ্মীয় অভিজ্ঞতাৰ এটা শাখা। (শুদ্ধ বিকল্পটো বাছি উলিওৱা)

*(c)* "Faith is irrational." Is it true?

"আস্থা নিৰ্বৌদ্ধিক।" এইটো সত্য নে?

*(d)* Name one critic of the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ সম্পৰ্কীয় উদ্দেশ্যমূলক যুক্তিৰ এজন সমালোচকৰ নাম লিখা।

*(e)* What is the meaning of the word 'Numen'?

'Numen' শব্দৰ অৰ্থ কি?

*(f)* According to Descartes / Saint Anselm, "God is supremely perfect being".

(Choose the correct option)

ডেকাৰ্ট / চেইন্ট এনচেল্মৰ মতে, "ঈশ্বৰ হৈছে পাৰমাৰ্থিকভাৱে পূৰ্ণ সত্তা"।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

*(g)* According to cosmological or causal argument, what is 'causa sui'?

বিশ্বতত্ত্বমূলক বা জগত-কাৰণ যুক্তি অনুসৰি, 'causa sui' কি?

*(h)* Name the prime advocate of teleological argument.

উদ্দেশ্যমূলক যুক্তিৰ প্ৰধান সমৰ্থকজনৰ নাম লিখা।

*(i)* From which two Greek roots, the term 'Pantheism' has derived?

কোন দুটা গ্ৰীকমূলীয় শব্দৰ পৰা 'Pantheism' পদটো লোৱা হৈছে?

*(j)* According to which theory of the relation of God and World, "after creating the world the creator does not intervene in the universe"?

ঈশ্বৰ আৰু জগতৰ মাজৰ সম্পৰ্ক সম্বন্ধীয় কোনটো মতবাদৰ মতে, "জগত সৃষ্টিৰ পিছত সৃষ্টিকৰ্তাই বিশ্বজগতত কোনো ধৰণৰ হস্তক্ষেপ নকৰে"?

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Define Philosophy of Religion.

ধৰ্মদৰ্শনৰ সংজ্ঞা দিয়া।

*(b)* Mention the names of two philosophers who advocate moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় নৈতিক যুক্তিটো সমৰ্থন কৰা দুজন দাৰ্শনিকৰ নাম উল্লেখ কৰা।

*(c)* State any two roles of reason in religious belief.

ধৰ্মীয় বিশ্বাসত বিচাৰ-বুদ্ধিৰ যি কোনো দুটা ভূমিকা উল্লেখ কৰা।

*(d)* Mention two points of differences between Pantheism and Panentheism.

সৰ্বেশ্বৰবাদ আৰু সৰ্বধৰেশ্বৰবাদৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

*(e)* What do you mean by freedom of will?

ইচ্ছাৰ স্বাধীনতা বুলিলে কি বুজা?

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Write a short note on the nature of Philosophy of Religion.

ধৰ্মদৰ্শনৰ প্ৰকৃতিৰ বিষয়ে এটা চমু টোকা লিখা।

*(b)* Explain the concept of immortality of Soul on the basis of conservation of energy.

শক্তিৰ অবিনশ্বৰতা নীতিৰ ভিত্তিত আত্মাৰ অমৰত্বৰ ধাৰণাটো ব্যাখ্যা কৰা।

*(c)* Explain the characteristics of faith as a religious belief.

ধৰ্মীয় বিশ্বাসৰ ভিত্তি হিচাপে আস্থাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*(d)* Briefly discuss the teleological argument as a proof for the existence of God.

ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ হিচাপে উদ্দেশ্যমূলক যুক্তিটো চমুকৈ ব্যাখ্যা কৰা।

*(e)* Mention five defects of the ontological argument as a proof for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় তাত্ত্বিক যুক্তিৰ পাঁচটা দোষ আলোচনা কৰা।

*(f)* Explain briefly about Deism as a theory of the relation between God and World.

ঈশ্বৰ আৰু জগতৰ সম্বন্ধ সম্পৰ্কীয় মতবাদ হিচাপে অতিব্ৰতী ঈশ্বৰবাদৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

**4.** Answer the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Discuss the differences between Philosophy of Religion and Theology.

ধৰ্মদৰ্শন আৰু ঈশ্বৰতত্ত্বৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰা।

*Or / অথবা*

What do you mean by religious experience? Discuss the characteristics of religious experience.

ধৰ্মীয় অভিজ্ঞতা বুলিলে কি বুজা? ধৰ্মীয় অভিজ্ঞতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*(b)* Describe the characteristics of the idea of Holy or Numinous as explained by Rudolf Otto.

ৰুডল্ফ অ'টুই (Rudolf Otto) ব্যাখ্যা কৰা অনুসৰি পবিত্ৰতাৰ ধাৰণা বা নুমিনাচৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

*Or / অথবা*

Explain Tillich's concept of 'faith as ultimate corner'.

তিলিকৰ 'চৰম উদ্বেগ হিচাপে আস্থা' সম্পৰ্কীয় ধাৰণাৰ ব্যাখ্যা কৰা।

*(c)* What is 'prime mover'? Explain the concept of prime mover with reference to cosmological argument.

'আদি গতিচালক' কি? বিশ্বতত্ত্বমূলক যুক্তিৰ সন্দৰ্ভত আদি গতিচালকৰ ধাৰণাৰ ব্যাখ্যা কৰা।

*Or* / *অথবা*

Critically explain moral argument as a proof for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় নৈতিক যুক্তিটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(d)* How does Spinoza explain Pantheism as a theory of the relation between God and world? Discuss.

ঈশ্বৰ আৰু জগতৰ মাজৰ সম্বন্ধ সম্পৰ্কীয় মতবাদ হিচাপে সৰ্বেশ্বৰবাদ মতবাদটো স্পিনোজাই কেনেকৈ ব্যাখ্যা কৰিছে? আলোচনা কৰা।

*Or* / *অথবা*

Discuss the criticism of Deism.

অতিৰতী ঈশ্বৰবাদৰ সমালোচনা আগবঢ়োৱা।

Paper : PHI–RE–6026

**( Political and Social Philosophy )**

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুসৰি উত্তৰ কৰা :

(a) In which date is 'Human Rights Day' observed?

'মানৱ অধিকাৰ দিৱস' কোনটো দিনত পালন কৰা হয়?

(b) Who is the author of the book, *Republic*?

*Republic* গ্ৰন্থখনৰ লেখক কোন?

(c) "Liberty is a product of Rights." Who said this statement?

"স্বাধীনতা অধিকাৰৰ পৰা উদ্ভৱ হয়।" এই কথাষাৰ কোনে কৈছিল?

(d) The book entitled, *The Communist Manifesto* is written by Karl Marx / Engels / both Karl Marx and Engels.

(Choose the correct answer)

*The Communist Manifesto* শীৰ্ষক গ্ৰন্থখন লিখিছে কাৰ্ল মাৰ্ক্স / এংগেলছ্ / কাৰ্ল মাৰ্ক্স আৰু এংগেলছ্ উভয়ে।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(e) Marxian dialectical materialism is influenced by an idealistic philosopher. Write the name of this philosopher.

মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ এগৰাকী ভাৱবাদী দাৰ্শনিকৰ দ্বাৰা প্ৰভাৱিত। এই দাৰ্শনিকগৰাকীৰ নাম লিখা।

*(f)* Mention one demerit of monarchy.

ৰাজতন্ত্ৰৰ এটা অসুবিধা বা দোষ উল্লেখ কৰা।

*(g)* Write the name of the form of government where a State is ruled by a single person.

এজন ব্যক্তিৰ দ্বাৰা শাসিত চৰকাৰ ব্যৱস্থাক কি নামেৰে জনা যায়, লিখা।

*(h)* What are the two words from which the term 'Democracy' originates?

'Democracy' শব্দটো কি দুটা শব্দৰ পৰা উদ্ভৱ হৈছে?

*(i)* Mention the name of one supporter of multiculturalism.

বহুসংস্কৃতিবাদৰ এজন সমৰ্থকৰ নাম উল্লেখ কৰা।

*(j)* From which Latin word is the term 'Humanism' derived?

কোনটো লেটিন শব্দৰ পৰা 'Humanism' শব্দটো আহৰণ কৰা হৈছে?

**2.** Answer the following questions : $2 \times 5 = 10$

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Name two supporters of socialism.

সমাজতন্ত্ৰবাদৰ দুগৰাকী সমৰ্থকৰ নাম লিখা।

*(b)* What are the two types of justice, according to Aristotle?

এৰিষ্ট'টলৰ মতে, ন্যায়পৰায়ণতাৰ ভাগ দুটা কি কি ?

*(c)* Mention two differences between direct democracy and indirect democracy.

প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

*(d)* What are the two types of monarchy?

ৰাজতন্ত্ৰৰ প্ৰকাৰ দুটা কি কি ?

*(e)* Mention two characteristics of a Secular State.

ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Write a short note on Human Rights.

মানৱ অধিকাৰৰ বিষয়ে এটি চমু টোকা লিখা।

*(b)* Write a note on Plato's concept of Justice.

প্লেটোৰ ন্যায়পৰায়ণতা ধাৰণাটোৰ বিষয়ে এটি টোকা লিখা।

*(c)* Write a short note on the notion of 'surplus value' as found in Marxian Philosophy.

মাৰ্ক্সীয় দৰ্শনত পোৱা 'উদ্বৃত্ত মূল্য'ৰ ধাৰণাৰ বিষয়ে এটি চমু টোকা লিখা।

(d) Mention five characteristics of Anarchism.

নৈৰাজ্যবাদ বা অৰাজকতাবাদৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(e) Mention five conditions for the success of democracy.

গণতন্ত্ৰ সফল হোৱাৰ পাঁচটা চৰ্ত উল্লেখ কৰা।

(f) Write a short note on humanism.

মানৱতাবাদ সম্পৰ্কে এটি চমু টোকা লিখা।

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain the relationship between rights and duties.

অধিকাৰ আৰু কৰ্তব্যৰ মাজৰ সম্বন্ধ সম্পৰ্কে ব্যাখ্যা কৰা।

(b) What is equality? What are the different kinds of equality? Discuss.

সমতা কি? সমতাৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? আলোচনা কৰা।

(c) Explain and examine the Marxian theory of class struggle.

মাৰ্ক্সীয় শ্ৰেণী-সংগ্ৰাম তত্ত্বটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(d)* What is socialism? What are the merits and demerits of socialism? Explain briefly.

সমাজতন্ত্রবাদ কাক বোলে? সমাজতন্ত্রবাদৰ সুবিধা আৰু অসুবিধাসমূহ কি কি? চমুকৈ ব্যাখ্যা কৰা।

*(e)* What is theocracy? What are the main features of theocracy? Discuss.

ধৰ্মতন্ত্ৰ মানে কি? ধৰ্মতন্ত্ৰৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰা।

*(f)* Explain and examine democracy as a form of government.

চৰকাৰ এটি প্ৰকাৰ হিচাপে গণতন্ত্ৰৰ বিষয়ে সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(g)* What do you mean by 'secularism'? Explain the meaning and nature of secularism.

'ধৰ্মনিৰপেক্ষতা' বুলিলে কি বুজা? ধৰ্মনিৰপেক্ষতাৰ অৰ্থ আৰু স্বৰূপ ব্যাখ্যা কৰা।

*(h)* What is multiculturalism? Is India a multiculturalist country? Explain.

বহুসংস্কৃতিবাদ মানে কি? ভাৰতবৰ্ষ এখন বহুসংস্কৃতিবাদী দেশ হয় নে? ব্যাখ্যা কৰা।

★★★